# অধ্যায় ২ ঃ আৱাহন যুগৰ চুটিগল্পৰ ধাৰা

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ আৱাহন যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প
২.৪ আৱাহন যুগৰ চুটিগল্প
২.৫ আৱাহন যুগৰ চুটিগল্পৰ ধাৰা
২.৫.১ উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভঙ্গী
২.৫.২ সমাজ চেতনা আৰু দায়বদ্ধতা
২.৫.৩ নাৰী মুক্তি তথা নাৰীৰ সামাজিক অৱস্থা সম্পৰ্কে সচেতনতা
২.৫.৪ সামাজিক অসমতা আৰু কুসংস্কাৰৰ প্ৰতি দৃষ্টিভঙ্গী
২.৫.৫ ভাৰতৰ স্বাধীনতা আন্দোলন আৰু জাতীয় চেতনাৰ প্ৰকাশ
২.৫.৬ ৰোমাণ্টিক ভাব-আদৰ্শৰ বহল প্ৰতিফলন
২.৫.৭ প্ৰগতিশীল চিন্তা
২.৫.৮ পশ্চিমীয়া আদৰ্শ আৰু দৰ্শনৰ প্ৰভাৱ
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
২.৯ আৰ্হি প্ৰশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আৱাহন যুগৰ এটি পৰিচয়মূলক ধাৰণা লাভ কৰিব
- অসমীয়া চুটিগল্পৰ অন্যতম দ্বিতীয় স্তৰ আৱাহন যুগৰ চুটিগল্পৰ পটভূমি সম্পৰ্কে জ্ঞাত হ'ব পাৰিব
- আৱাহন যুগৰ চুটিগল্পসমূহৰ লগতে এই যুগটোৰ গল্পকাৰসকলৰ পৰিচয় লাভ কৰিব
- অসমীয়া চুটিগল্পৰ অন্যতম যুগ ৰূপে চিহ্নিত আৱাহনত ৰচিত চুটিগল্পসমূহৰ ধাৰাসমূহৰ বিষয়ে ধাৰণা লাভ কৰাৰ সমান্তৰালভাৱে আৱাহনৰ চুটিগল্পসমূহে কিদৰে উন্নত মানদণ্ড লাভ কৰিবলৈ সক্ষম হৈছিল সেই বিষয়ে আলোচনা কৰিব পাৰিব।

## ২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ অন্তর্গত প্রথম বুনিয়াদী পাঠ্যবিষয় 'অসমীয়া চুটিগল্প'ৰ এইটো দ্বিতীয় অধ্যায়। ইতিমধ্যে আপুনি অসমীয়া চুটিগল্পৰ জন্ম সম্বন্ধে অধ্যয়ন কৰিলে। আধুনিক সাহিত্যৰ এটি অপৰিহার্য অঙ্গ হ'ল চুটিগল্প। ঊনবিংশ শতিকাৰ শেষৰফালে কলিকতাৰ পৰা প্রকাশিত *জোনাকী*কাকতৰ 4র্থ বছৰ 4র্থ সংখ্যাত প্রকাশিত 'সেউতী'ৰ যোগেদি অসমীয়া চুটিগল্পই জন্ম লাভ কৰে। সেই সময়ৰে পৰা বর্তমানলৈকে অসমীয়া চুটিগল্পৰ বিকাশৰ দিশ সম্পর্কে অধ্যয়ন কৰোঁতে আমি চাৰিটা বিশদ ভাগত ভাগ কৰিহে চুটিগল্পৰ জন্ম তথা বিকাশ সম্পর্কে অধ্যয়ন কৰিব পাৰো। ইয়াৰে প্রথম অর্থাৎ *জোনাকী* সম্পর্কে আপুনি ইতিমধ্যে ধাৰণা লাভ কৰিলে। এই অধ্যায়টিত আপুনি চুটিগল্পৰ দ্বিতীয়টি স্তৰ আৱাহন যুগৰ গল্প সম্পর্কে অধ্যয়ন কৰিব।

অসমীয়া চুটিগল্পৰ অন্যতম দ্বিতীয় স্তৰ বা যুগত *আৱাহন* আলোচনীয়ে সৃষ্টি কৰা গল্পসমূহৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। *আৱাহন* আলোচনীয়ে সৃষ্টি কৰা গল্পকাৰসকলৰ লগতে এই সময়ৰ গল্পৰ পটভূমিৰ বিষয়ে আলোচনা কৰাৰ সমান্তৰালকৈ এই যুগৰ গল্পৰ ধাৰাসমূহৰ সম্পর্কেও আলোচনা কৰা হ'ব। *জোনাকীত* জন্মগ্রহণ কৰা চুটিগল্পৰ মানদণ্ড তথা কলা-কৌশলগত গুণ ৰাশিৰ পৰিৱর্তনৰ প্রৱণতা সম্বন্ধে এই অধ্যায়ত আলোকপাত কৰা হ'ব।

## ২.৩ *আৱাহনৰ* পটভূমি আৰু অসমীয়া চুটিগল্প

1929 চনৰ পৰা ১৯৪০ চনলৈ এই সময়খিনি অসমীয়া চুটিগল্পৰ ইতিহাসত অন্যতম স্তৰ আৱাহন যুগ ৰূপে পৰিচিত। বিংশ শতিকাৰ তৃতীয়টো দশক ১৯২৯ চনত ডাঃ দীননাথ শর্মাৰ সম্পাদনা আৰু নগেন্দ্র নাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত কলিকতাৰ পৰা *আৱাহন* কাকত প্রকাশ হ'বলৈ ধৰে। আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ মাজত আৱাহন যুগৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে। ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা আন্দোলন আৰম্ভ হোৱাৰ লগে লগে অসমতো এই আন্দোলনৰ ব্যাপক প্রভাৱ পৰে। এই আন্দোলনৰ গভীৰতা *আৱাহন* আলোচনীতো প্রতিফলিত হৈছিল। ১৯২১ চনত সমগ্র ভাৰতবর্ষ আলোড়িত কৰা স্বাধীনতা আন্দোলনৰ প্রভাৱে অসমৰ জনসাধাৰণকো স্পর্শ কৰিছিল। তাৰেই প্রভাৱ এই আলোচনীয়েও বহন নকৰাকৈ থকা নাছিল।এনে প্রভাৱৰ ফলত *আৱাহনত* স্বাধীনতা তথা জাতীয় মুক্তিৰ কামনাৰে বাস্তৱধর্মী গল্পই জন্ম লাভ কৰে।লক্ষ্মীনাথ বেজবৰুৱাৰ প্রভাৱৰ পৰা মুক্ত হ'ব নোৱাৰিলেও এই সময়ৰ চুটিগল্পত মহাত্মা গান্ধীৰ আদর্শৰে প্রভাৱিত গল্পকাৰসকলৰ ৰচনাত ন-ন বিষয়-কৌশল পৰিলক্ষিত হয়।এই সময়ৰ চুটিগল্পত যিদৰে গান্ধীজীৰ স্বদেশীচিন্তা, নাৰী মুক্তিৰ প্রয়াস প্রতিফলিত হোৱাৰ সমান্তৰালকৈ পাশ্চাত্য শিক্ষাৰে শিক্ষিত গল্পকাৰসকলৰ ৰচনাত হাস্য ৰসাত্মক আৰু মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰ অনুকৰণ পৰিলক্ষিত হয়। আৱাহন যুগটোত অসমীয়া চুটিগল্প শক্তিশালী হৈ উঠাত *আৱাহনৰ* উপৰিও সমকালীন অন্যান্য আলোচনীৰ পৰা লাভ কৰা পৃষ্ঠপোষকতা

সম্পর্কে প্রহ্লাদ কুমাৰ বৰুৱাই এনেদৰে মন্তব্য কৰিছে— "*আৱাহনৰ* সমকালীন অন্যান্য আলোচনীৰ যোগেদি অসমীয়া চুটিগল্পই যি বিস্তাৰ লাভ কৰিছিল, তাৰ বাবে এটা শক্তিশালী পৃষ্ঠভূমি পাইছিল। এই পৃষ্ঠভূমি বহলভাৱে তিনিটা দিশৰ। প্রথমটো দিশ গান্ধীৰ স্বাধীনতা আন্দোলনৰ যোগেদি ৰাজনৈতিক চেতনা, দ্বিতীয়টো সমকালীন অসমৰ ক্রমবর্ধমান শিক্ষাব্যৱস্থা আৰু তৃতীয়টো পশ্চিমৰ বিভিন্ন সাহিত্যৰ মতদার্শ।"

এই সময়ত শিক্ষা, সমাজ আৰু ব্যক্তি গোটৰ ন ন চিন্তাধাৰাৰ উন্মেষৰ বাবেই চুটিগল্পই কেতবোৰ নৱ দিশৰ সূচনা কৰিছে। এই সময়ছোৱাত প্রাচীন চিন্তা-মূল্যবোধৰ পৰিৱর্তে নতুন নতুন তথ্য, বিষয়-বস্তুৰ অভিনৱত্ব আৰু আঙ্গিকৰ লগতে কোনো কোনো গল্পত চেতনাস্রোত, যৌন মনঃস্তত্ত্ব আৰু মার্ক্সৰ দ্বন্দ্বাত্মক চিন্তাৰ প্রতিফলন ঘটা দেখিবলৈ পোৱা যায়। এনে ধৰণৰ দিশবোৰে আৱাহনৰ গল্প-সম্ভাৰক নতুনত্ব প্রদান কৰাৰ লগতে চুটিগল্পৰ ইতিহাসত নৱতম ধাৰাসমূহৰ সংযোগৰ ক্ষেত্রতো অৰিহণা যোগাইছে।

## ২.৪ আৱাহন যুগৰ চুটিগল্প

*আৱাহন* আলোচনীৰ জন্মলগ্নৰ পৰা *ৰামধেনুৰ* জন্মলৈকে সময়খিনি সামৰি লৈ 'আৱাহন যুগ' বুলি অভিহিত কৰা হৈছে।প্রখ্যাত গল্পকাৰ নগেন্দ্র নাৰায়ণ চৌধুৰীয়ে সম্পাদনা কৰি প্রকাশ কৰা আলোচনীখনৰ নামেৰে নামকৰণ কৰা *আৱাহনৰ* সময়ছোৱাত পাশ্চাত্য শিক্ষাৰ প্রসাৰ ঘটে। সাহিত্যৰ সৰলতাৰ ঠাই ল'লে আধুনিক চিন্তাধাৰা আৰু মতবাদে। ফলত 'জোনাকী' যুগৰ কাহিনী প্রধান আৰু সৰল চুটিগল্পৰ বিপৰীতে 'আৱাহন'ত পাশ্চাত্যৰ মতবাদ, দর্শন আদিয়ে ঠাই লাভ কৰিবলৈ ধৰিলে।

আৱাহন যুগৰ চুটিগল্পত ফৰাচী গল্পকাৰ মোপাছাঁ আৰু এণ্টন চেখভ, মার্কিন গল্পকাৰ এডগাৰ এলেন পোৰ চুটিগল্পৰ প্রভাৰ পৰিলক্ষিত হয়। ফ্রয়েডৰ যৌন মনঃস্তত্ত্ব, হাস্য-ব্যঙ্গ গল্প আৰু মুক্ত নাৰী চৰিত্রৰ লগতে স্বাধীনতা আন্দোলনৰ পটভূমিত গল্প ৰচিত হ'বলৈ ধৰে। এনে ধৰণৰ দিশবোৰত গুৰুত্ব আৰোপ কৰি ৰচিত হোৱা বাবে এই যুগৰ চুটিগল্পবোৰে শক্তিশালী ৰূপত আত্মপ্রকাশ কৰিছিল। ফলস্বৰূপে জোনাকীৰ তুলনাত আৱাহনৰ কালত চুটিগল্পই বিকাশ লাভ কৰিবলৈ ধৰে। চুটিগল্পক শক্তিশালী আৰু বলিষ্ঠ ৰূপত আত্মপ্রকাশ কৰাত সহায় কৰা আৱাহনৰ উল্লেখযোগ্য গল্পকাৰসকলৰ মাজৰ নগেন্দ্র নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্র বৰা, লক্ষীধৰ শর্মা, হলীৰাম ডেকা, ৰমা দাশ, বীণা বৰুৱা, ত্রৈলোক্য নাথ গোস্বামী, দীননাথ শর্মা, ৰাধিকামোহন গোস্বামী, কৃষ্ণ ভূঞা, মুনীন বৰকটকী আদি প্রধান।

*আৱাহন* গল্পবোৰৰ মাজত বিলাসী কল্পনাৰ সুৰ আৰু মুক্ত চিন্তাৰ প্রসাৰ পৰিলক্ষিত হয়। গল্পবোৰত ব্যক্তি-জীৱনৰ নানা সমস্যা আৰু সেইসমূহৰ ন-ন ব্যাখ্যা দিয়াৰ প্রয়াস দেখিবলৈ পোৱা যায়। সমাজত সমতা ৰক্ষা কৰাৰ মনোভাৱ এই সময়ৰ গল্পত ফুটি উঠিছে। তদুপৰি বিষয়বস্তু উপস্থাপনৰ দৃষ্টিভঙ্গী জোনাকী যুগৰ গল্পৰ পৰা কিছু পৃথক হোৱাৰ লগতে প্রেমমূলক বিষয়বস্তুৰ বহুল প্রয়োগ লক্ষ্য কৰা যায়।

*আৰাহনৰ* গল্প লেখকসকলে চুটিগল্পৰ আঙ্গিকৰ বৈশিষ্ট্যৰ দিশত বিশেষ গুৰুত্ব দিয়া হেতু গল্পত ধাৰণা আৰু ফলশ্ৰুতিৰ ঐক্যৰ লগতে নাট্যধর্মিতা, কবিত্বময়তা গুণৰ সংযোগেৰে নির্মিতিৰ ভাষা সংযম, ব্যঞ্জনাধর্মী আৰু কাব্যময় ৰূপত গঢ় লৈ উঠিছে। এই যুগৰ গল্পবোৰ কলা-কৌশলগত দিশত উন্নত। আৰাহন যুগৰ লেখকসকলে গল্পত অন্তর্মুখী দৃষ্টিভঙ্গীৰে জীৱন-জিজ্ঞাসা আৰু বুদ্ধিনিষ্ঠ বিশ্লেষণত গুৰুত্ব আৰোপ কৰিছে।

*আৰাহনৰ* প্ৰথম বছৰ প্ৰথম সংখ্যাত 'পোহাৰী' গল্প ৰচনা কৰি গল্পকাৰৰূপে আত্মপ্ৰকাশ কৰা কথা সাহিত্যিক নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে সমকালীন গোৱালপাৰা জিলাৰ জহি যাবলৈ ধৰা জমিদাৰী সমাজখনৰ লগতে জনজাতীয় সৰল জীৱন, নৰ-নাৰীৰ প্ৰেম আৰু বিভিন্ন বিজ্ঞানভিত্তিক বিষয়বস্তু লৈ গল্প ৰচনা কৰিছিল। ধন বা পার্থিৱ সম্পদৰ প্ৰতি মানুহৰ মনোভাৱ সম্পর্কীয় বিষয় চৌধুৰীয়েই পোন প্ৰথমবাৰৰ বাবে গল্পত উপস্থাপন কৰিছিল। হোমেন বৰগোহাঞিৰ ভাষাত— "অসমীয়া গল্পত আৰু এটা বিষয়বস্তুৰ তেৱেঁই প্ৰথম অৱতাৰণা কৰিছিল। সেইটো হৈছে money, অর্থাৎ মানুহৰ মনস্তত্ত্ব আৰু মানসিক সম্পর্কৰ ওপৰত ধনৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া।" তেওঁৰ ৰচনাত চৰিত্ৰৰ মানসিক বিশ্লেষণ পোৱা যায়। তদুপৰি ভাতৃ-স্নেহ, দাম্পত্য জীৱনৰ হর্ষ-বিষাদ আদি মানৱীয় চেতনাৰ উপৰি আয়ুর্বেদৰ কায়কল্প চিকিৎসা, আধুনিক জীৱ-বিজ্ঞান আৰু মনোবিজ্ঞানৰ দৃষ্টিভঙ্গীৰ জীৱন আৰু জগতৰ গতি-প্ৰকৃতি সম্পর্কীয় বিশ্লেষণৰ প্ৰয়াস চৌধুৰীৰ গল্পৰ বিষয়বস্তুৰ অন্তর্গত।

*আৰাহনৰ* যোগেদি প্ৰতিষ্ঠা লাভ কৰা লক্ষ্মীনাথ ফুকনৰ গল্পত বাস্তৱ সমাজ আৰু জীৱন বর্ণিত হৈছে। সামাজিক সমস্যা, ব্যক্তি জীৱনৰ দুখ-যন্ত্ৰণা, হতাশা-নিৰাশা আদিক সাৱলীল ৰূপত কৰুণ ৰসসিক্ত হাস্যৰসৰ যোগেদি চিত্ৰিত কৰাৰ ক্ষেত্ৰত ফুকন সিদ্ধহস্ত। 'মেধি', 'টাইপিষ্টৰ জীৱন' আদি গল্পৰ ৰচক ফুকনৰ গল্পত প্ৰেমৰ মোহনীয় ৰূপ, কোনোটো গল্পত উদভ্ৰান্ত প্ৰেম আৰু মধ্যবিত্ত জীৱনৰ বিলাসবহুল প্ৰেমৰ চিত্ৰ অঙ্কিত হৈছে।

লক্ষ্মীনাথ বেজবৰুৱাই প্ৰতিষ্ঠা কৰি থৈ যোৱা হাস্য আৰু ব্যঙ্গ ৰসাত্মক ধাৰাটোৰ পৰিসৰ কিছু বহল কৰি পৰৱর্তী কালত মহীচন্দ্ৰ বৰাই গল্পত সেই ধাৰাৰ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা পালন কৰিছিল। 'অব্যয়', 'কেৰাণী কপাল', 'চাকনৈয়া', 'উকীলৰ আপদ', 'যুদ্ধবিৰতি' আদি গল্পৰ মাজেদি গল্পকাৰগৰাকীয়ে ব্যক্তি জীৱন, জাতীয় জীৱন আৰু সমাজ জীৱনৰ জীৱন্ত চিত্ৰৰ লগতে সমাজ আৰু ব্যক্তিৰ ঘৃণনীয় তথা অশুভ দিশৰ তীব্ৰ ব্যঙ্গ অঙ্কিত কৰিছে।

'ছিৱাজ' শীর্ষক গল্পৰ ৰচক লক্ষীধৰ শর্মাৰ গল্পত বিপ্লৱী নাৰী চৰিত্ৰৰ লগতে চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ এটি উল্লেখনীয় দিশ। সমাজত সমতা প্ৰতিষ্ঠা কৰা আৰু নাৰী মনত বাজি উঠা বিপ্লৱী চেতনাই শর্মাৰ গল্পৰ মূল বিষয়বস্তু। 'ছিৱাজ', 'ব্যর্থতাৰ দান', 'পৰাজয়', 'নীনা' আদি গল্পত সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্যায়-অবিচাৰ আদি বিভিন্ন দিশ উপস্থাপন কৰাৰ সমান্তৰালভাৱে এনেসমূহ দিশ নাৰী চৰিত্ৰৰ দ্বাৰা নির্মূলৰ হেতু প্ৰয়াস কৰিছে।

হলীৰাম ডেকাৰ গল্পত ফ্ৰয়েডৰ মনস্তাত্ত্বিক আৰু যৌন-মনস্তাত্ত্বিক প্ৰয়োগৰ লগতে চেতনাস্ৰোত পদ্ধতিৰ প্ৰয়োগ লক্ষ্য কৰা যায়। তদুপৰি 'ভ্ৰষ্টলিপি', 'জুলেখা', 'সুখমৃত্যু' আদি

গল্পৰ ৰচক ডেকাই ৰচনাত অন্তর্ভুক্ত কৰা চৰিত্রবোৰে সংযম, বুদ্ধিদীপ্ত কথন ৰীতিৰ যোগেদি আৰু ভাবব্যঞ্জক সংলাপৰ যোগেদি আত্মপ্রকাশ কৰিছে।

*আৱাহনৰ* এগৰাকী উল্লেখযোগ্য গল্পকাৰ ৰমা দাশ। এই যুগৰ গল্প ৰীতিৰ মাজতে থাকি ৰচনা কৰা তেওঁৰ বেছিভাগ গল্পৰ মাজতে নৰ-নাৰীৰ প্রেম, জৈৱিক-বাসনা, মাতৃ হৃদয়ৰ অনুভূতি আৰু সমাজৰ সমালোচনাই ঠাই অধিকাৰ কৰিছে। দাশৰ এটা শ্রেষ্ঠ গল্প হৈছে 'অবুজ মায়া'। উল্লেখ্য যে, প্রেমৰ গভীৰ বিশ্লেষণ আৰু জীৱনৰ বিচিত্রতা তেওঁৰ গল্পৰ মাজত অনুপস্থিত।

*আৱাহনৰ* গল্পকাৰ ৰূপে খ্যাত বীণা বৰুৱাৰ প্রকৃত নাম বিৰিঞ্চি কুমাৰ বৰুৱা। বীণা বৰুৱা ছদ্ম নামেৰে তেওঁ *পট পৰিৱর্তন* আৰু *আঘোণী বাই* শীর্ষক দুখন গল্পপুথি ৰচনা কৰিছিল। গাঁৱলীয়া জীৱনৰ অভাৱ, দুখীয়াৰ কাৰুণ্য ভৰা জীৱন, নাৰীৰ হৃদয় বৃত্তি আদিবোৰ বিষয় তেওঁ কলাসুলভ ৰূপত গল্পত উপস্থাপন কৰিছে। তেওঁৰ বহুকেইটা গল্পত ৰোমাণ্টিক প্রেমৰ সুন্দৰ প্রকাশ ঘটিছে।

ত্রৈলোক্য নাথ গোস্বামী *আৱাহনৰ* এগৰাকী সমাজ সচেতন গল্পকাৰ। কথাশিল্পীগৰাকীৰ ৰচনাত সমসাময়িক সমাজৰ আর্থ-সামাজিক জীৱন, ব্যক্তিৰ সৈতে সমাজৰ দ্বন্দ্ব, বিধৱা-পতিতাৰ সমস্যা, যৌন মত্ততাৰ চিত্র প্রতিফলিত হৈছে। হাস্য-ব্যঙ্গৰ সহায়ত সহজ-সৰল ভাষাৰ যোগেদি গঢ় দিয়া গল্পবোৰত সমাজৰ অশুভ দিশবোৰৰ সংস্কাৰৰ বাবেও তেওঁ যত্ন কৰিছে।

আৱাহন যুগৰ গল্পকাৰ দীননাথ শর্মাৰ গল্পৰচনাসমূহত তেওঁৰ সমকালীন অন্যান্য গল্পকাৰৰ দৰে আৱাহন যুগৰ চুটিগল্পৰ ধাৰাৰ অন্তর্গত নানা দিশ প্রতিফলিত হৈছিল। বিশেষকৈ তেওঁৰ গল্পৰচনাসমূহত উদাৱনৈতিক মানৱতাবাদী দৃষ্টিভঙ্গী, নাৰীমুক্তি তথা নাৰীৰ সামাজিক অৱস্থা সম্পর্কে সচেতনতা, ৰোমাণ্টিক ভাব-আদর্শৰ বহল প্রতিফলনৰ প্রগতিশীল চিন্তা তথা পশ্চিমীয়া আদর্শ আৰু দর্শনৰ প্রভাৱ বিদ্যমান। তেওঁৰ প্রায়ভাগ গল্প ৰচনাতে জীৱন জিজ্ঞাসাৰ লগতে ব্যক্তিমনৰ নিভৃত কোণত থকা সুপ্ত আশা-আকাঙ্খা আৰু শঙ্কা-সন্দেহৰ কলাত্মক প্রকাশ ঘটা পৰিলক্ষিত হয়। "প্রত্যেক ব্যক্তিয়েই একো একোটা নির্জন দ্বীপ।" কথাষাৰ আজিৰ পৰিপ্রেক্ষিতত বিচাৰ কৰিলে তেনেই স্বাভাৱিক কাৰণ এই কথাষাৰে যে ব্যক্তিৰ মানসিক জগতখনলৈ আঙুলিয়াইছে সেই কথা সহজে বুজা যায়। কিন্তু আজিৰ পৰা আশী-নব্বৈ বছৰমানৰ আগতে ব্যক্তিৰ অন্তর্জগতৰ আলোচনাই অসমীয়া চুটিগল্পৰ বিষয়বস্তু ৰূপে দকৈ গা কৰি উঠা নাছিল। কোনো কোনোজন গল্পকাৰে তাৰ ইঙ্গিত মাত্র দিবলৈ প্রয়াস কৰিছিল। পিছে আৱাহন যুগৰ কৃতিত্বপূর্ণ গল্পকাৰ দীননাথ শর্মাৰ গল্পৰচনাত সেই বিষয়টো পূর্ণ ৰূপত প্রকাশ পাইছিল। এই গৰাকী অধ্যয়নশীল লেখকৰ উৎসাহী মনোভাবে তেওঁক পাশ্চাত্যৰ মহান কথাশিল্পীসকলৰ ৰচনাৰ লগত চিনাকি কৰাই দিছিল। সেই উৎসাহে তেওঁক তেওঁৰ গল্পৰ বিষয়বস্তু নির্বাচন আৰু তাক সুনির্দিষ্ট শিল্পৰূপ প্রদানত যথেষ্ট সহায় কৰিছিল। তেওঁৰ 'পুতৌ নে প্রেম', 'দৰদী', 'শোভাযাত্রা', 'বিদ্রোহিনী', 'মোহমুক্তি' আদি গল্পত জীৱনৰ বিচিত্র ৰূপৰ লগতে ব্যক্তিমনৰ নিঃসঙ্গতা, হতাশা আৰু প্রতাৰিত আত্মাৰ কৰুণ গাঁথা বিবৃত হৈছে। তেওঁৰ 'দৰদী' গল্পত ৰমা চলিহা নামৰ সম্ভ্রান্ত ঘৰৰ নিঃসঙ্গ উত্তৰাধিকাৰী গৰাকীয়ে তেওঁৰ জীৱনৰ অকথিত বেদনাগধুৰ

ইতিহাস গল্পটোৰ কথক গৰাকীৰ আগত বিৱৰি কৈছে। এটা সময়ত দু�ৰাৰোগ্য ৰোগ ৰূপে চিহ্নিত হোৱা যক্ষ্মা ৰোগে কেনেকৈ ৰমা চৌধুৰী নামৰ সেই জেদী অথচ পৰোপকাৰী ব্যক্তিক জীৱনৰ স্বাভাৱিক সুখ-বাসনা পূৰণৰ পৰা বঞ্চিত কৰিছিল তাৰ মর্মস্পর্শী লেখ আছে। পৰৱর্তী সময়ত তেওঁৰ কাষলৈ তেওঁৰ শাৰীৰিক তথা মানসিক নিঃসঙ্গতা দূৰ কৰিবলৈ মমতা নামৰ নাৰী গৰাকীৰ আগমন ঘটিছিল যদিও সেই ক্ষয়ষ্ণৰ ৰোগে মমতাকো তেওঁৰ কাষৰ পৰা আঁজুৰি নিছিল। তেওঁৰ শূন্য জীৱন শূন্য হৈয়েই ৰ'ল। 'মোহমুক্তি' গল্পত কেতিয়াও মিলিব নোৱাৰা দুটা সূঁতিৰ কৰুণ পৰিণতি বর্ণিত হৈছে। শিক্ষিত অভিজাত ঘৰৰ সন্তান অজয় চৌধুৰীয়ে পাহাৰৰ নামনিত অৱস্থিত অনুসূচিত সম্প্রদায়ৰ কন্যা দমিলীৰ প্রেমত পৰিছিল। প্রগতিবাদী মনৰ শিক্ষিত যুৱক হোৱা সত্ত্বেও অজয় চৌধুৰীয়ে সমাজনামৰ অলঙঘনীয় প্রাচীৰখন পাৰ হৈ দমিলীক নিজৰ কৰি ল'বলৈ সাহস নকৰিলে। সৰলপ্রাণা দমিলীৰ প্রেমিক অজয়ৰ প্রতি পূর্ণ আস্থা আছিল। কিন্তু তেওঁ বহুত পলমকৈ বুজি পালে যে অজয় চৌধুৰী নামৰ ব্যক্তিজনৰ সাঁচতীয়া স্মৃতি মূল্যহীন। সেই ব্যক্তি গৰাকীৰ তেওঁৰ প্রতি দায়িত্ববোধ নাছিল। জীৱনৰ বিয়লি বেলাত ৰুগ্ন মন আৰু ভগ্ন স্বাস্থ্যৰ দমিলীয়ে সহানুভূতিবশতঃ সেই একেজন প্রৌঢ় অজয় চৌধুৰীৰ ঘৰত আশ্রয় লাভ কৰিছিল। কিন্তু সেই মুহূর্তত দমিলীৰ বোধোদয় হ'ল যে তেওঁ অজয় নামৰ সেই অতীত স্মৃতিৰ মোহৰ পৰা নিজকে মুক্ত কৰাহে শ্রেয়, কাৰণ সেই সম্পর্ক অস্তিত্বহীন। এইদৰে শ্রেণী সংঘাত আৰু মানৰীয় সম্পর্কৰ কৰুণ পৰিণতিৰে সিক্ত আবেদনময় এই বিশেষ গল্পটিয়ে কথাশিল্পী দীননাথ শর্মাৰ কৃতিত্বৰ পৰিচয় বহন কৰিছে। মন কৰিবলগীয়া যে তেওঁৰ ৰচনাত সমাজৰ একেবাৰে নীচ স্থানত অৱস্থিত ব্যক্তিৰ পৰা উচ্চ স্থানত অৱস্থিত অভিজাত ব্যক্তিলৈকে কোনো বাদ পৰা নাছিল। তেওঁৰ চুটিগল্পসমূহত ফুটি উঠা বৈচিত্র্য আৰু জীৱনৰ বর্ণাঢ্য ৰূপ বিশেষভাৱে উল্লেখনীয়।

এই সময়ছোৱাত কাহিনী সাহিত্য ৰচনা কৰি অসমীয়া সাহিত্যৰ চুটিগল্পৰ দিশ সমৃদ্ধ কৰা আন কেইগৰাকীমান বিশিষ্ট লেখক হ'ল উমাকান্ত শর্মা, দ্বীপান্বিতা চৌধুৰী, নলিনীকান্ত বৰুৱা, ইন্দিবৰ গগৈ, গোবিন্দচন্দ্র পেৰা, চাহ ছৈয়দ হাছান আদি।

## ২.৫ আৰাহন যুগৰ চুটিগল্পৰ ধাৰা

জোনাকীৰ পাতত জন্ম লভি *বিজুলী, বাঁহী, ঊষা, চেতনা* আদি আলোচনীৰ সহযোগ তথা সঁহাৰিৰ ফলস্বৰূপে অসমীয়া চুটিগল্পই *আৰাহনত* বিকাশ লাভ কৰে। এই সময়তে *জোনাকীয়ে* সৃষ্টি কৰা ৰোমাণ্টিক ভাব-আদর্শক এক পৰিশীলিত ৰূপত গল্পত দেখিবলৈ পোৱা যায়। আর্থিক অসমতাই সৃষ্টি কৰা সমস্যা, সমাজ-বৈপ্লৱিক দৃষ্টিভঙ্গীৰ লগতে নৰ-নাৰীৰ জৈৱিক প্রেমৰ চিত্র গল্পত প্রতিফলিত হোৱা পৰিলক্ষিত হয়।মুঠতে ন-ন বিষয় আৰু আঙ্গিকৰসংমিশ্রণৰে গঢ় লোৱা আৰাহন যুগৰ চুটিগল্পত কেইবাটিও বিশেষ ধাৰা পোৱা যায়। এই সময়ৰ গল্পকাৰসকলৰ ৰচনা-সম্ভাৰৰ মাজত পৰিলক্ষিত কেতবোৰ বিশেষ ধাৰাকে সামগ্রিকভাৱে এই যুগৰ গল্প শিল্পৰ উল্লেখনীয় দিশ বুলি অভিহিত কৰিব পাৰি।

## ২.৫.১ উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভঙ্গী

জোনাকী যুগৰ ত্রিমূর্তিৰ অন্যতম সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাকেই অসমীয়া চুটিগল্পৰ পিতৃপুৰুষ বুলি কোৱা হয় যদিও আৱাহন যুগৰ কেইগৰাকীমান বৌদ্ধিক চেতনাসম্পন্ন গল্পকাৰৰ হাতত অসমীয়া চুটিগল্পই এক বিস্তৃত পৰিসৰ লাভ কৰে। এই যুগৰ চুটিগল্পত উদাৰনৈতিক মানৱিক চেতনা বিভিন্ন প্রকাৰে ৰচনাৰ মাজত প্রকাশ পাইছে। সমসাময়িক সময়ৰ ৰাজনৈতিক অস্থিৰতা, সামাজিক মূল্যবোধৰ দ্বন্দ্ব, স্বাধীনতাৰ মনোভাৱ, মধ্যবিত্ত শ্রেণীৰ উত্থান আৰু পশ্চিমীয়া দর্শন আদর্শৰ আধাৰত গঢ়ি উঠা আৱাহনৰ গল্পত নতুন দৃষ্টিভঙ্গীৰ প্রকাশ ঘটিছে। শিক্ষিত যুৱকৰ ন-ন চিন্তা আৰু মুক্তিকামী মনোভাৱত অৱিহণা যোগোৱা ইটালীৰ নৱজাগৰণ, ফৰাচী বিপ্লৱ, ৰুছ বিপ্লৱ আদিয়ে গল্পকাৰসকলক পার্থিৱ জীৱনৰ প্রতি আগ্রহী কৰি তুলিছিল। তদুপৰি এই যুগৰ গল্পকাৰসকলে সমকালীন সমাজৰ নিম্নবিত্ত আৰু মধ্যবিত্ত শ্রেণীৰ ওপৰত চলা শাসন-শোষণৰ জীৱন্ত চিত্র তুলি ধৰিছে। ইয়াৰ মাজেৰে ৰচকসকলৰ উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভঙ্গী পোহৰলৈ আহিছে। এই ক্ষেত্রত মহীচন্দ্র বৰাৰ 'কেৰাণীৰ কপাল', লক্ষ্মীনাথ ফুকনৰ 'টাইপিষ্টৰ জীৱন', ত্রৈলোক্যনাথ গোস্বামীৰ 'পৰাজয়', হৰিপ্রসাদ গোর্খা ৰায়ৰ 'ব্যথিতৰ পৰিচয়' আৰু নূৰজাহান বেগমৰ 'মলিনা' আদি উল্লেখযোগ্য। গল্পকাৰ মহীচন্দ্র বৰাৰ টাইপ চৰিত্রৰ সমাবেশেৰে ৰচিত গল্পবোৰত উদাৰনৈতিক মানৱতাবাদ আৰু সংস্কাৰকামী মনোভাৱ জিলিকি উঠিছে।

## ২.৫.২ সমাজ চেতনা আৰু সামাজিক দায়বদ্ধতা

আৱাহন যুগৰ এই সময়খিনিতে অসমৰ জাতীয় জীৱনত মহাত্মা গান্ধীৰ সমাজ সংস্কাৰকামী আন্দোলনৰ প্রভাৱ অনুভূত হয়। তদুপৰি পাশ্চাত্য জগতৰ মুক্ত জীৱন আদর্শৰ প্রভাৱ অসমৰ সাহিত্যিকসকলক সমাজ সচেতন আৰু দায়বদ্ধ ৰূপত গঢ়ি তুলিছিল। এই সমাজ চেতনা আৰু দায়বদ্ধতা বিশেষভাৱে পু�ৰণিকলীয়া ধ্যান-ধাৰণাজনিত কু-সংস্কাৰ দূৰীকৰণ তথা নির্মূলত আগভাগ লৈছিল। এই সময়ত স্বাধীনতা লাভৰ আশা আৰু স্বপ্নত সমাজৰ জনসাধাৰণ তথা গল্পকাৰসকলৰ মন জাতীয় চেতনাৰে উন্মাদিত হৈ আছিল। জাতীয় চেতনাৰে বহিঃপ্রকাশ স্বৰূপে জন্ম হোৱা *আৱাহনে* জাতীয় তথা সমাজৰ বিকাশ আৰু প্রকাশৰ অর্থে প্রচেষ্টা কৰিছিল। সমাজৰ পৰা আহুকলীয়া আচাৰ-চিন্তাক পুলিয়ে-পোখায়ে উভালি পেলোৱাৰ হাবিয়াসেৰে গল্পবোৰ ৰচনা কৰিছিল। এই সময়ৰ উল্লেখযোগ্য গল্পকাৰ হলিৰাম ডেকা, লক্ষ্মীধৰ শর্মা আদিৰ ৰচনাত এখন প্রগতিকামী সমাজ গঢ়াৰ প্রয়াস লক্ষ্য কৰা যায়। সামাজিক সংস্কাৰৰ মনোভাৱেৰে গল্প ৰচনাত ব্রতী হোৱা এই সময়ৰ গল্পকাৰসকলৰ ৰচনাত সামাজিক চেতনা আৰু দায়বদ্ধতা সুস্পষ্ট ৰূপত চিত্রিত হৈছিল।

## ২.৫.৩ নাৰীমুক্তি তথা নাৰীৰ সামাজিক অৱস্থা সম্বন্ধে সচেতনতা

মহাত্মা গান্ধীৰ নাৰীমুক্তি আন্দোলন আৰু পাশ্চাত্যৰ মুক্ত নাৰীৰ আৰ্হিৰ দ্বাৰা আৰাহন যুগৰ লেখক তথা গল্পকাৰসকল বিশেষভাৱে অনুপ্ৰাণিত। সমাজত পুৰুষৰ সমানেই নাৰীৰ স্থান নিৰূপণত *আৰাহনৰ* গল্পকাৰসকলে গুৰুত্ব দিছিল। প্ৰাচীন কালৰ পৰা সমাজৰ কঠোৰ ৰীতি-নীতি আৰু প্ৰথাই নাৰীক আৱদ্ধ কৰি ৰখাতো আৰাহন যুগৰ পৰিৱৰ্তিত মানসিকতাই মানি ল'ব পৰা নাছিল। তাৰেই ফলস্বৰূপে প্ৰাচীন নীতি-প্ৰথা আৰু কু-সংস্কাৰৰ গৰাহৰ পৰা নাৰীক মুক্ত কৰাৰ আপাহত আৰাহন পত্ৰিকাখনে প্ৰকৃতাৰ্থত এক বিপ্লৱৰ সূচনা কৰিছিল। এই যুগৰ গল্পসমূহৰ যোগেদি বিধৱাৰ দুখভৰা জীৱন, পতিতাৰ যন্ত্ৰণাময় জীৱনযাত্ৰা সম্পৰ্কে বৰ্ণনা কৰি সেইসমূহৰ পৰা পৰিত্ৰাণৰ উপায় চিন্তিছিল। তদুপৰি পুৰুষ সমাজৰ দ্বাৰা শোষিত নাৰীৰ মুক্তিৰ উপায় সম্পৰ্কেও গল্পত সময়ে সময়ে উপস্থাপন কৰিছে। এই ক্ষেত্ৰত লক্ষ্মীধৰ শৰ্মাৰ 'বিদ্ৰোহিনী' শীৰ্ষক গল্পটো নাৰীৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ এক দিক্‌দৰ্শনকাৰী সৃষ্টি। ইয়াৰ উপৰি নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'মধুমালতীৰ প্ৰতিশোধ নে প্ৰতিদান', 'লক্ষ্মীধৰ শৰ্মাৰ 'বিধৱাৰ ল'ৰা', ত্ৰৈলোক্যনাথ গোস্বামীৰ 'বিধৱা' আৰু 'পতিত আৰু পতিতা' ইত্যাদিত নাৰীৰ প্ৰতি সমাজত পৰম্পৰাগতভাৱে চলি অহা কু-সংস্কাৰ আৰু শোষণৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনোৱা হৈছে। প্ৰকৃতাৰ্থত এই প্ৰত্যাহ্বান আৰাহন যুগত গঢ় লৈ উঠা নাৰী মুক্তি আন্দোলনৰ এক সফল তথা উল্লেখনীয় পদক্ষেপ।

## ২.৫.৪ সামাজিক অসমতা আৰু কু-সংস্কাৰৰ প্ৰতি দৃষ্টিভঙ্গী

ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, কু-সংস্কাৰ, অন্ধবিশ্বাস, ন্যায়-অন্যায়, সমতা-অসমতা আদি দিশবোৰ সমাজ আৰু জীৱনৰ ক্ষেত্ৰত এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি সদৃশ। অতি প্ৰাচীন কালৰে পৰা সমাজৰ বিভিন্ন দিশ কু-সংস্কাৰ, নীচতা-হীনতা আদিৰ আবেষ্টনীতে বৰ্তি আছিল। কিন্তু বিংশ শতিকাত পাশ্চাত্য শিক্ষা-দীক্ষাৰ পোহৰৰ ৰেঙণিয়ে যেতিয়া অসমীয়া সমাজখনকো স্পৰ্শ কৰিলে, তেতিয়াৰ পৰা মানুহৰ মনবোৰ ক্ৰমশঃ নিম্নগামী চিন্তাৰ পৰা মুক্ত হ'বলৈ ধৰিলে। পুৰণিকলীয়া চিন্তাধাৰাৰ পৰা মানুহৰ মন মুক্ত কৰাৰ ক্ষেত্ৰত *আৰাহনৰ* গল্পকাৰসকলৰ কঠোৰ সমালোচনা আৰু ন-ন দৃষ্টিভঙ্গীয়ে বিশেষ অৰিহণা যোগাইছে। গল্পৰ যোগেদি প্ৰাচীন বিশ্বাস আৰু ধ্যান-ধাৰণাত কুঠাৰাঘাত হানি সমাজৰ পৰা অশান্তি আঁতৰাবলৈ প্ৰয়াস কৰিছিল। তদুপৰি হীনতা-নীচতাৰ মনোভাৱ আঁতৰ কৰাৰ নিমিত্তে তীক্ষ্ণ ব্যঙ্গৰ সহায় লৈছিল। একমাত্ৰ গল্পকাৰসকলৰ প্ৰখৰ সমাজ চেতনা আৰু দায়বদ্ধতাৰ বাবেই সামাজিক অসমতা আৰু কু-সংস্কাৰ নিৰ্মূলৰ প্ৰয়াসত প্ৰায় সফলতা আৰ্জিছিল বুলিব পাৰি। সামাজিক দায়বদ্ধতা প্ৰকাশৰ প্ৰচেষ্টাই বহু সময়ত গল্পৰ মানদণ্ড কিছু নিম্নগামী কৰিলেও গল্পৰ মূল্য হ্ৰাস

কৰিব পৰা নাছিল বুলি একেযাৰতে ক'ব পাৰি। শ্ৰেণীবৈষম্য, কু-সংস্কাৰ, দাৰিদ্ৰ্যৰ যন্ত্ৰণা আদিবোৰ দিশ উদঙাই দেখুওৱা এই যুগৰ কেইটামান উল্লেখযোগ্য গল্প হ'ল— লক্ষ্মীধৰ শৰ্মাৰ 'তিনিখন বিধি আৰু একাষাৰ কথা', নকুল চন্দ্ৰ ভূঞাৰ 'ছোৱালীৰ গা-ধন', মোহনলাল চৌধুৰীৰ 'দুখীয়াৰ প্ৰলাপ', ভগৱান চন্দ্ৰ দাসৰ 'মধুৰ মিলন', মহীচন্দ্ৰ বৰাৰ 'যুদ্ধবিৰতি' আৰু 'শৰশয্যা'।

## ২.৫.৫ ভাৰতৰ স্বাধীনতা আন্দোলন আৰু জাতীয় চেতনাৰ প্ৰকাশ

মহাত্মা গান্ধীয়ে গঢ়ি তোলা স্বাধীনতা আন্দোলনে অসমীয়া মানুহৰ মন স্বাধীনতাৰ সমান্তৰালকৈ গণতান্ত্ৰিক মূল্যবোধ তথা জীৱনবোধৰ প্ৰতিও আসক্ত কৰি তুলিছিল। আৱাহন যুগৰ বহুতো গল্পকাৰে অনুভৱ কৰিছিল যে ব্যক্তি, সমাজ আৰু জাতীয় মুক্তিৰ গণতান্ত্ৰিক মূল্যবোধ অবিচ্ছেদ্য অঙ্গ। এই সময়ৰ লেখকসকলে নিজস্ব আৱেগ-অনুভূতি তথা চিন্তাধাৰাক গল্পৰ জৰিয়তে জনগণৰ ওচৰ চপাইছিল; যাৰ ফলস্বৰূপে কেতবোৰ গল্পই ৰচনা কৌশলৰ বন্ধন তথা ৰীতিৰ পৰা আঁতৰি গল্পকাৰৰ বক্তব্য স্বৰূপে ধৰা দিছিল। স্বাধীনতা স্বাধীনতাৰ অস্থিৰতাৰ মাজতে আকৌ ব্ৰিটিছ সাম্ৰাজ্যবাদবিৰোধী জাতীয় আন্দোলনেও জনসমাজত অস্থিৰতাৰ সৃষ্টি কৰিছিল। স্বাধীনতা আৰু গণতন্ত্ৰৰ মূল্যবোধৰ বাৰ্তা প্ৰকাশৰ উপৰিও মানুহৰ মাজত জাতি-ধৰ্ম নিৰ্বিশেষে একতা আৰু প্ৰৱল জাতীয়তাবোধ গঢ়ি তোলাৰ মানসেৰে গল্পকাৰসকলে আপ্ৰাণ প্ৰচেষ্টা কৰিছিল। এই ক্ষেত্ৰত আমি লক্ষ্মীনাথ ফুকনৰ 'চিৰাজ', হলিৰাম ডেকাৰ 'সুখমৃত্যু', কৃষ্ণ ভূঞাৰ 'কাৰাগাৰ', মহীচন্দ্ৰ বৰাৰ 'জীৱন অমিয়া', জ্ঞাননাথ বৰাৰ 'মই হিন্দু' আদি উল্লেখযোগ্য গল্প বুলি ক'ব পাৰি।

## ২.৫.৬ ৰোমাণ্টিক ভাব-আদৰ্শৰ বহুল প্ৰতিফলন

*জোনাকী* আলোচনীৰ যোগেদি আধুনিক অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাব-আদৰ্শৰ সূচনা হয় যদিও *আৱাহনত* এই ভাব-আদৰ্শই বিস্তৃতি লাভ কৰাৰ সমান্তৰালভাৱে এই সময়খিনিতে *জোনাকীৰ* ৰোমাণ্টিক আদৰ্শৰ পৰা সাহিত্যিকসকল বহু পৰিমাণে বাস্তৱৰ পৃথিৱীখনৰ কাষ চাপি আহিলে। এই যুগৰ চুটিগল্পত জীৱন আৰু জগতক ৰোমাণ্টিক দৃষ্টিৰ সমান্তৰালকৈ বাস্তৱৰ সমস্যাৰে পৰিপূৰ্ণ জীৱন সম্পৰ্কেও বিশ্লেষণ কৰাৰ মানসিকতা গঢ় লৈ উঠিলে। এই সময়ৰ লেখকসকলে বাস্তৱক উপেক্ষা অথবা আওকাণ কৰাৰ বিপৰীতে সমাজৰ সকলো প্ৰতিকূল অৱস্থা নিৰ্মূলৰ উদ্দেশ্যৰে ৰচনা গল্পই সমাজত এক বিপ্লৱৰ সূচনা কৰে।

ভাৰতবৰ্ষৰ লগতে অসমৰ সমাজ জীৱনত ক্ৰমশঃ বাঢ়ি অহা সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যা তথা পৰিৱৰ্তনে গল্পকাৰসকলৰ দৃষ্টিভঙ্গী পৰিৱৰ্তন কৰি বাস্তৱবাদৰ আলমত গল্প ৰচনাত অৰিহণা যোগালে। ফলস্বৰূপে ফ্ৰয়েডৰ যৌন-

মনঃস্তত্ত্বৰ বিশ্লেষণ এই সময়ৰ ৰচনাত উপলব্ধ হ'ল। তদুপৰি মাৰ্ক্সীয় দৰ্শন, চেতনাস্ৰোত আদি ন-ন দৰ্শন, তথা মনো-বিশ্লেষণধৰ্মী কলা-কৌশলৰ প্ৰয়োগেৰে যুক্তিনিষ্ঠ আলোচনাৰ আধাৰত গল্প ৰচনাত ব্ৰতী হ'ল। প্ৰহ্লাদ কুমাৰ বৰুৱাৰ ভাষাত— "আৱাহন যুগৰ চুটিগল্পত নৰ-নাৰীৰ আৱেগিক প্ৰেম, ভিন্ন জাতি আৰু সম্প্ৰদায়ৰ মাজত আৱেগিক ঐক্য স্থাপনৰ বাবে গল্পকাৰসকলে উচ্ছ্বাস প্ৰকাশ কৰিছিল আৰু তাৰ বিপৰীতে সাম্যবাদী ধ্যান-ধাৰণাৰে মানুহৰ সৰ্বাঙ্গীন মুক্তিৰ বাণীও ঘোষণা কৰিছিল।" এই ক্ষেত্ৰত ৰমাপতি শৰ্মাৰ 'ভুল', আনন্দ চন্দ্ৰ বৰুৱাৰ 'কপাল' আদি উল্লেখযোগ্য গল্প। ইয়াৰ উপৰি হলিৰাম ডেকাই সামাজিক সমস্যা আৰু ব্যক্তি সমস্যাকে গল্পৰ বিষয় ৰূপে প্ৰয়োগ কৰি নাথাকি ফ্ৰয়েডৰ মনঃস্তাত্ত্বিক আৰু যৌন-মনঃস্তাত্ত্বিক পদ্ধতি প্ৰয়োগৰ যোগেদি ব্যক্তি জীৱনৰ গভীৰতালৈ প্ৰৱেশ কৰিবলৈ প্ৰয়াস কৰা লক্ষ্য কৰা যায়। চেতনাস্ৰোত পদ্ধতি প্ৰয়োগে ডেকাৰ গল্পক নতুনত্ব প্ৰদান কৰাই নহয়, অসমীয়া চুটিগল্পৰ দিশলৈয়ো নতুন পথ মুকলি কৰিছে।

## ২.৫.৭ প্ৰগতিশীল চিন্তা

1929 চনত প্ৰকাশিত *আৱাহন* আলোচনীত নাৰী মুক্তি, স্বাধীনতা তথা গণতান্ত্ৰিক মূল্যবোধৰ চেতনা, সাম্যবাদী ভাৱনাই নিঃসন্দেহে প্ৰগতিশীল ভাৱনাৰ দিশটোকে সূচাইছে। কিন্তু উল্লেখ্য যে *আৱাহন*প্ৰকাশৰ প্ৰাক্‌ক্ষণত প্ৰকাশিত *ঘৰ জেউতী* আৰু *চেতনা* শীৰ্ষক আলোচনীখনে প্ৰগতিশীল চিন্তাৰ কথাকে সূচাইছে। *আৱাহনে* এই ক্ষেত্ৰত বিশেষ অৰিহণাহে যোগাইছে। *আৱাহনত* চুটিগল্পকাৰসকলে প্ৰগতিশীল চিন্তাক অধিক পৰিসৰত আগবঢ়াই নিয়াৰ লগতে গল্পত নাৰীক পুৰুষৰ সমান্তৰালকৈ উপস্থাপন কৰি লিঙ্গ বৈষম্য আঁতৰোৱাৰ ক্ষেত্ৰত অৱদানহে আগবঢ়াইছে বুলিব পাৰি। এক কথাত ক'বলৈ হ'লে এই যুগৰ গল্পকাৰসকলে সমাজ চেতনা আৰু দায়বদ্ধতাৰ বাবেই সমাজৰ অশুভ বিষয়সমূহক তীব্ৰ গৰিহণা দি সমালোচনা কৰাই নহয়; সিবোৰৰ পৰা পৰিত্ৰাণৰ উপায় নিৰ্দেশী সমাজত প্ৰগতিশীল চেতনাৰ সূচনাৰ জাতীয় জীৱন আগবঢ়াই নিয়াত অৰিহণা যোগাইছে। দেৱবালা দেৱীৰ 'আৰতি', সুপ্ৰভা গোস্বামীৰ 'ল'ৰা যেতিয়া ডাঙৰ হয়', লক্ষীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' আৰু 'গৌৰী', বীণা বৰুৱাৰ 'নিউ মাৰ্কেট' আদি গল্পত মুক্ত নাৰীৰ মানসিক চিন্তা-চেতনাক অতি সুন্দৰকৈ উপস্থাপন কৰা হৈছে।

## ২.৫.৮ পশ্চিমীয়া আদৰ্শ আৰু দৰ্শনৰ প্ৰভাৱ

বিংশ শতিকাত অসমীয়া সাহিত্যিকসকলৰ লেখনিত পাশ্চাত্য ধ্যান-ধাৰণাৰ প্ৰসাৰ দেখিবলৈ পোৱা যায়। শিক্ষাৰ দ্ৰুত প্ৰসাৰৰ ফলতেই সাহিত্যিকসকলে পশ্চিমীয়া দৰ্শন-আদৰ্শৰ সৈতে চিনাকি হোৱাৰ সুযোগ পায়। তাৰে ফলস্বৰূপে এই সময়ৰ গল্পসমূহত

জেমছ জইছ, মোপাছাঁ, চেকভ, ফ্ৰয়েড, অ' হেন্ৰি, কার্ল মার্ক্স আদি পাশ্চাত্য লেখকৰ বিভিন্ন দর্শনৰ ছাঁ পৰিছিল। তদুপৰি *আৱাহনৰ* গল্পত এহাতে বস্তুবাদী আৰু আনহাতে, অৱস্থিতিবাদী দর্শনৰ প্ৰয়োগ পৰিলক্ষিত হয়। এই ধৰণৰ পাশ্চাত্য মতবাদ আৰু দর্শনৰ অনুকৰণৰ যোগেদি যদিওবা গল্প ৰচনা কৰিছে; তথাপিও কিন্তু গল্পকাৰসকলে সিবোৰৰ প্ৰয়োগৰ যোগেদি এই যুগৰ গল্পক পূৰ্বৰ তুলনাত বহু গুণে উন্নত মানদণ্ডৰ লগতে অধিক মূল্য দিব পৰাকৈ সফলতা অর্জন কৰিছে। এই ক্ষেত্ৰত ৰমা দাশৰ 'সপোন কুঁৱৰী' ফৰাচী গল্পৰ ছাঁত ৰচিত। ইয়াৰ উপৰি বীৰেশ্বৰ শর্মাৰ 'মালতী' আৰু ত্ৰৈলোক্যনাথ গোস্বামীৰ 'অৰুণা' আদি গল্প ইংৰাজী চুটিগল্পৰ অনুসৰণত ৰচিত আৱাহন একোটা উল্লেখযোগ্য গল্প। এই যুগত হলীৰাম ডেকাৰ 'ভ্ৰষ্টলিপি', মুনীন বৰকটকীৰ 'তাই আৰু মই' আদি চেতনাস্ৰোতৰ আধাৰত ৰচিত সার্থক গল্প। মুনীন বৰকটকীৰ 'জয় নে পৰাজয়', 'পাপ নে ভুল'; হলীৰাম ডেকাৰ 'প্ৰতিধ্বনি' গল্পত বস্তুবাদী দর্শনৰ প্ৰভাৱ পৰিলক্ষিত হয়। মুঠতে আৱাহনে অসমীয়া চুটিগল্প সাহিত্যলৈ কঢ়িয়াই অনা ন-চিন্তা, চেতনা আৰু দর্শনে এই যুগৰ শিল্পী-সাহিত্যিকৰ ৰচনাত যথেষ্ট অৰিহণা আগবঢ়াইছে।



**চিন্তা-চর্চা কৰক - ২.১**

অসমীয়া ভাষাত প্ৰকাশ পোৱা আলোচনামূলক পুথিৰ আধাৰত *জোনাকীৰ* চুটিগল্পৰ আঙ্গিক আৰু কৌশলৰ পৰা *আৱাহনৰ* চুটিগল্পৰ আঙ্গিক আৰু কৌশলৰ বিৱর্তন সম্পর্কে আলোচনা কৰক।



**অগ্ৰগতি নিৰীক্ষণ**

**১ নং প্ৰশ্ন ঃ** আৱাহন যুগৰ উল্লেখযোগ্য গল্পকাৰকেইগৰাকীৰ ৰচনা সম্পর্কে চমু পৰিচয় দিয়ক। [150 টা শব্দৰ ভিতৰত)

**২ নং প্ৰশ্ন ঃ** আৱাহন যুগৰ গল্পৰ ধাৰাসমূহৰ বিষয়ে আলোচনা কৰক। [250 টা শব্দৰ ভিতৰত)



## ২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ যোগেদি আমি অসমীয়া চুটিগল্পৰ দ্বিতীয় স্তৰ আৱাহন যুগৰ চুটিগল্পৰ বিকাশ সম্বন্ধে এটা ধাৰণা লাভ কৰিলোঁ।
- এই অধ্যায়টিৰ পর্যালোচনাৰ যোগেদি আমি অসমীয়া চুটিগল্পৰ আৱাহন যুগৰ পটভূমি অথবা পৃষ্ঠভূমি সম্পর্কে সম্যক পৰিচয় আহৰণ কৰিলোঁ।

- এই আলোচনাৰ মাজেদি আমি অসমীয়া চুটিগল্পৰ অন্যতম উল্লেখযোগ্য যুগ বা স্তৰ আৰাহনৰ চুটিগল্পৰ ধাৰাসমূহৰ লগতে এইসমূহৰ যোগেদি *আৰাহনৰ* চুটিগল্পৰ বিৱৰ্তন সম্পৰ্কে এটি ধাৰণা লাভ কৰিলোঁ।
- এই আলোচনাৰ যোগেদি আমি *আৰাহনৰ* চুটিগল্পৰ বিষয় বৈচিত্ৰ্য আৰু আঙ্গিক বৈচিত্ৰ্যৰ বিষয়ে আভাস লাভ কৰিলোঁ।
- নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা আদি প্ৰতিভাশালী গল্পকাৰসকলে আৰাহন যুগৰ চুটিগল্পক এটি উন্নত মানদণ্ড প্ৰদান কৰিছিল। সেই সময়ৰ অসমীয়া গল্প সাহিত্যৰ বিকাশ আৰু বিস্তৃতি সম্পৰ্কে এটি পৰিচয় লাভ কৰিলোঁ।
- প্ৰথম বিশ্বযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনে ভাৰতৰ অন্য প্ৰান্তৰ সমাজৰ লগতে অসমৰ সমাজ তথা জাতীয় জীৱনকো স্পৰ্শ কৰিছিল। তাৰেই ফলস্বৰূপে সমাজ আৰু জাতীয় জীৱনলৈ অহা পৰিৱৰ্তনসমূহৰ স্বাক্ষ বহনকাৰী *আৰাহনৰ* গল্পত প্ৰতিফলিত হোৱা জাতীয় চেতনা, সামাজিক দায়বদ্ধতা আৰু মুক্তিচেতনাৰ লগতে সংস্কাৰকামী মনোভাৱৰ প্ৰকাশ ঘটিছিল।
- মহাত্মা গান্ধীৰ আদৰ্শ, পাশ্চাত্যৰ মতবাদ আৰ নাৰী মুক্তিৰ চেতনাৰ ক্ষেত্ৰত এক বিপ্লৱৰ সূচনা কৰা আৰাহনৰ গল্পসমূহৰ বিষয়ে অধ্যয়নৰ মাজেদি আভাস পোৱা গৈছে।



## ২.৭ অধিক জানিবলৈ


1] কটকী, প্ৰফুল্ল (1995) ঃ *ক্ৰমবিকাশত অসমীয়া কথাশৈলী*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

2] গগৈ, লীলা (সম্পা.) [2002] ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; ডিব্ৰুগড় ঃ বনলতা।

3] গোস্বামী, ত্ৰৈলোক্যনাথ [2006] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

4] দত্ত, উদয় [1995] ঃ *চুটিগল্প*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

5] নেওগ, মহেশ্বৰ (2000] ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

6] বৰগোহাঞি, হোমেন (সম্পা.) (2004] ঃ *অসমীয়া গল্প সঙ্কলন* (1ম খণ্ড); গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

7] বৰা, প্ৰফুল্ল চন্দ্ৰ [1995] ঃ *অসমীয়া সাহিত্য ঃ আধুনিক যুগ*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

8] বৰা ফুকন, ৰুণমণি (2017] ঃ *হোমেন বৰগোহাঞিৰ চুটিগল্প*; গুৱাহাটী ঃ জাগৰণ সাহিত্য প্ৰকাশন।

9] বৰুৱা, প্ৰহ্লাদ কুমাৰ (2005] ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

10] ভট্টাচার্য্য, পৰাগ কুমাৰ [1993] ঃ *গল্পৰ প্রসঙ্গ আৰু অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

11] শইকীয়া বৰা, লীলাৱতী (সম্পা.) [2003] ঃ *অসমীয়া চুটিগল্পৰ প্রৱাহ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

12] শর্মা, সত্যেন্দ্রনাথ [2006] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

## ২.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১নং প্রশ্নৰ উত্তৰ ঃ***আৱাহন* আলোচনীখনৰ চমু পৰিচয়... ...উল্লেখযোগ্য গল্পকাৰকেইজন— নগেন্দ্র নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্র বৰা, লক্ষ্মীধৰ শর্মা, হলীৰাম ডেকা, ৰমা দাশ, বীণা বৰুৱা, ত্রৈলোক্যনাথ গোস্বামী আদিৰ গল্পৰ পৰিচয়।

**২নং প্রশ্নৰ উত্তৰ ঃ** *আৱাহন* আলোচনীৰ পটভূমি সম্পর্কে চমু পৰিচয়... ...*আৱাহনৰ* গল্পৰ ধাৰাসমূহ (এই আলোচনাত আৱাহন যুগৰ উল্লেখনীয় গল্পকাৰসমূহৰ গল্পৰোৰৰ নাম প্রয়োজন অনুসৰি উল্লেখ কৰি আলোচনা কৰিব লাগিব)।

## ২.৯ আৰ্হিপ্রশ্ন

**প্রশ্ন ১ ঃ** অসমীয়া চুটিগল্পৰ ইতিহাসত কোনখিনি সময় আৱাহন যুগৰূপে পৰিচিত?

**প্রশ্ন ২ ঃ** *আৱাহন* আলোচনীৰ সম্পাদক কোন?

**প্রশ্ন ৩ ঃ** *আৱাহন* কাকতখন বা পত্রিকাখন কাৰ পৃষ্ঠপোষকতাত আৰু ক'ৰ পৰা প্রকাশিত হৈছিল?

**প্রশ্ন ৪ ঃ** *আৱাহন* আলোচনীয়ে চুটিগল্পৰ দিশত ন-চিন্তা, চেতনা কঢ়িয়াই আনিলে— আধুনিক অসমীয়া সাহিত্যৰ পৰিপ্রেক্ষিতত *আৱাহন* আলোচনীৰ সাহিত্যিক মূল্য তথা গুৰুত্ব সম্পর্কে বিচাৰ কৰক।

**প্রশ্ন ৫ ঃ** আৱাহন যুগৰ চুটিগল্পৰ পটভূমি সম্পর্কে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

**প্রশ্ন ৬ ঃ** *আৱাহন* আলোচনীৰ মাজেৰে অসমীয়া চুটিগল্পত সংযোগ ঘটা নৱতম মতাদর্শন তথা চিন্তাধাৰা সম্পর্কে এটি বিস্তৃত আলোচনা আগবঢ়াওক।

**প্রশ্ন ৭ ঃ** আৱাহন যুগৰ চুটিগল্পৰ ধাৰাসমূহৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

**প্রশ্ন ৮ ঃ** *আৱাহন* আলোচনীয়ে বহন কৰা স্বাধীনতা আন্দোলনৰ চেতনাসম্ভূত কেইজনমান লেখকৰ ৰচনা সম্পর্কে আলোচনা কৰক।

**প্রশ্ন ৯ ঃ** আৱাহন যুগৰ পাশ্চাত্য মতবাদৰে পৰিচালিত দুগৰাকী গল্পকাৰৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ১০ ঃ** আৱাহন যুগৰ চুটিগল্পৰ বিষয়ে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

*** ***** ***